কৰা বা তেনে কাৰণত হোৱা মূদ্রাস্ফীতি বা মুদ্রাসংকোচন ঋণমুদ্রা প্রবাহৰ নিয়ন্ত্রণৰ জৰিয়তে দূৰ কৰা

- সাধাৰণ তথা জৰুৰী অৱস্থাত দেশখনৰ মুদ্রাৰ প্রয়োজন পূৰ কৰা
- এক নির্দিষ্ট সময়ৰ ভিতৰত দেশখনৰ অর্থনৈতিক বিকাশৰ হাৰ তৰান্বিত কৰাত সহায় কৰা।

এই লক্ষ্যবোৰত উপনীত হোৱাৰ কাৰণে কেন্দ্রীয় বেংকৰ হাতত কেতবোৰ উপায় বা আহিলা আছে। আলোচনাৰ সুবিধাৰ কাৰণে ঋণগত মুদ্রা নিয়ন্ত্রণৰ আহিলা সমুহক দুটা প্রধান ভাগত ভাগ কৰা হৈছে, যেনে ঃ পৰিমানবাচক ব্যৱস্থা বা সাধাৰণ ব্যৱস্থা (Quantitative or General measures) আৰু গুণবাচক বা বাছনিমুলক ব্যৱস্থা (Qualitative or Selective measures)

নামৰ পৰাই বুজিব পৰা যায় যে ঋণ নিয়ন্ত্রণৰ পৰিমান বাচক ব্যৱস্থা সমুহ দেশখনৰ অর্থব্যৱস্থাত মুঠ ঋণ যোগানৰ পৰিমাণৰ লগত সম্পর্কিত আনহাতে গুনবাচক ব্যৱস্থাসমুহ বিভিন্ন ঋণব্যৱস্থাৰ প্রকাৰৰ বা ঋণৰ গাঠনিৰ (Composition) লগত সম্পর্কিত, অর্থাৎ ই ঋণ ব্যৱহৃত বিশেষ খণ্ড বিলাকৰ ওপৰত আলোক পাত কৰে। অর্থব্যৱস্থাৰ পৰিস্থিতি সাপেক্ষে ঋণ নিয়ন্ত্রণৰ দুয়োবিধ ব্যৱস্থা কেতিয়াবা একেলগে আৰু কেতিয়াবা যি কোনো এটা ব্যৱস্থা প্রয়োগ কৰিব পৰা যায়। এই পাঠটোত আমি ঋণনিয়ন্ত্রণৰ দুয়োটা পদ্ধতিৰ অন্তর্ভুক্ত বিভিন্ন আহিলা বা উপায়সমুহ বিস্তৃত ভাৱে আলোচনা কৰিম।

৭.৩ ঋণ নিয়ন্ত্রণ পদ্ধতি ঃ পৰিমাণবাচক ব্যৱস্থা

পৰিমাণ বাচক ব্যৱস্থা সমুহে ক'ত বা কি উদ্দেশ্যত ঋণগত মুদ্রা ব্যৱস্থা কৰা হৈছে তাৰ প্রতি গুৰুত্ব নিদি বেংক ব্যৱস্থাত প্রচলন থকা মুঠ ঋণ মুদ্রাৰ পৰিমাণক প্রভাৱিত কৰিব বিচাৰে। গুৰুত্ব পূর্ণ পৰিমান বাচক ব্যৱস্থাবোৰ হৈছে - ৰেপ'ৰেট (Reporate), মুকলি বজাৰ ব্যৱস্থা (Open Market Operations) আৰু নগদ জমাৰ অনুপাত বা নগদসংৰক্ষণৰ অনুপাত (Cash Reserve Ratio)

ৰেপ'ৰেট (Reporate) ঃ ই একপ্রকাৰ সুদৰ হাৰ যিটো সুদৰ হাৰত কেন্দ্রীয় বেংকে বিল

ব্যৱহাৰ কৰে যাতে দেশৰ অর্থব্যৱস্থাত মুদ্রাযোগানৰ পৰিমাণ আৰু মুদ্রাৰ মুল্য খাপ খাই থাকে।

কেন্দ্রীয় বেংকে অংশগ্রহণ কৰা মুকলি বজাৰৰ প্রতিটো ক্রয়ৰ দ্বাৰা মুদ্রাৰ যোগান বাঢ়ে আৰু প্রতিটো বিক্রীৰদ্বাৰা মুদ্রাৰ যোগান কমে। মুকলি বজাৰৰ ক্রয়-বিক্রয়ে বেংকৰ নগদ সংৰক্ষণক প্রভাৱিত কৰাৰ জৰিয়তে দেশৰ ঋণ ব্যৱস্থাটোকো প্রভাৱিত কৰে। উদাহৰণস্বৰূপে কেন্দ্রীয় বেংকে জনসাধাৰণৰ পৰা চুক্তি পত্র ক্রয় কৰিলে বেংক ব্যৱস্থাটোত নগদ মুদ্রাৰ পৰিমাণ বাঢ়ি যায়। ই নগদ সংৰক্ষণৰ পৰিমাণ বৃদ্ধি কৰে, যাৰ ফলত বেংক ব্যৱস্থাটোৰ ঋণ সৃষ্টিৰ ক্ষমতা বাঢ়ি যায়। ই সুদৰ হাৰকো প্রভাৱিত কৰে। চুক্তি পত্রৰ ক্রয়-বিক্রয়ে ইহঁতৰ দৰক প্রভাৱিত কৰে, যাৰ পৰিণামস্বৰূপে সুদৰ হাৰো প্রভাৱান্বিত হয়।

তাৰল্য পৰিচালনাৰ দৃষ্টিকোণৰ পৰা খোলা বজাৰ ব্যৱস্থা ৰিজার্ভ বেংক অৱ ইণ্ডিয়াৰ বাবেও গুৰুত্বপূর্ণ। ভাৰতবর্ষত তাৰল্য অৱস্থা সাধাৰণতে বিত্তীয় বছৰৰ দ্বিতীয়ার্দ্ধত (অক্টোবৰৰ মাজভাগৰ পৰা) টানি ধৰা হয়। এইটো সংঘটিত হোৱাৰ কাৰণ হৈছে এই সময়ছোৱাত চৰকাৰী ব্যয়ৰ পৰিমাণ সাধাৰণতে হ্রাস পায় তাতে আকৌ উৎসৱকালীন সময় আৰম্ভ হোৱাৰ পৰিপ্রেক্ষিতত ঋতুকালীন নগদমুদ্রাৰ চাহিদাৰ প্রসাৰ ঘটে। তদুপৰি বিদেশী আনুষ্ঠানিক বিনিয়োগকাৰী সকলে আগতীয়াকৈ কৰ প্রদান কৰাৰ বাবেও নগদ ধনৰ বর্হিঃপ্রবাহ ঘটে আৰু তাৰল্যতা হ্রাস পায়। ৰিজার্ভ বেংক অৱ ইণ্ডিয়াই গোটেই বছৰজুৰি মুদ্রাৰ প্রাচুর্য্যতা সুচল কৰি ৰাখি নিশ্চিত হ'ব বিচাৰে যাতে তাৰল্য অৱস্থাই ই RBI এ চলাই ৰাখিব বিচৰা আদর্শ সুদৰ হাৰৰ ওপৰত প্রভাৱ পেলাৱ নোৱাৰে। এই ক্ষেত্রত তাৰল্য পৰিচালনাও আৱশ্যকীয় যাতে বেংকবোৰ আৰু ঋণী সকলে কেচ ক্রাঞ্চ (Cash Crunch)ৰ সন্মুখীন হ'ব লগা নহয়। প্রচলিত তাৰল্য বৃদ্ধিকৰাৰ প্রয়োজন বোধ কৰিলে ৰিজার্ভ বেংক অৱ ইণ্ডিয়াই চৰকাৰী ঋণ পত্র ক্রয় কৰে আকৌ প্রচলিত তাৰল্য হ্রাস কৰাৰ প্রয়োজনবোধ কৰিলে সেইবোৰ ঘূৰাই দিয়ে বা বিক্রী কৰে আৰু অর্থনীতিত প্রচলন থকা অতিৰিক্ত মুদ্রা নিঃশেষ কৰি দিব বিচাৰে ।

নির্দিষ্ট কেতবোৰ চর্তসাপেক্ষেহে কেন্দ্রীয় বেংকৰ মুকলি বজাৰ প্রক্রিয়া এক ফলপ্রসূ আহিলা হিচাপে পৰিগণিত হয়। সেই চর্তকেইটা হ'ল—

(১) সুসংগঠিত আৰু সবিকশিত চক্তিপত্রৰ বজাৰ

- সংৰক্ষিত জমাৰ অনুপাত ৰিজার্ভ বেংকে চলাই থাকে; কিন্তু ৰিজার্ভ বেংকে বিধিগত তাৰল্যৰ অনুপাত চলাই নাথাকে।
- সংৰক্ষিত নগদ জমাৰ অনুপাতে দেশখনৰ অর্থনীতিত তাৰল্য নিয়মিত কৰি ৰাখে আনহাতে বিধিগত তাৰল্যৰ অনুপাতে ঋণৰ বিকাশত সহায় কৰে।

পৰিমাণবাচক বা সাধাৰণ ঋণ নিয়ন্ত্রণ পদ্ধতিৰ সীমাবদ্ধতাসমূহ ঃ ঋণ নিয়ন্ত্রণৰ উপায় হিচাপে পৰিবর্তনশীল সংৰক্ষণ অনুপাতৰ কিছুমান সীমাবদ্ধতা আছে। এহ পদ্ধতিয়ে কার্যকৰীভাৱে কাম কৰিব লাগিলে অন্য আনুষংগিক উপায়ৰ দ্বাৰা সমর্থিত হ'ব লাগিব। ইয়াৰ কার্যকাৰিতা বিশেষভাৱে নির্ভৰ কৰে তলৰ চর্তসমূহত —

- ➢ উচ্চ বা অতিৰিক্ত সংৰক্ষণৰ প্রয়োজনীয়তা সম্পর্কত বেংকসমূহৰ কোনো দ্বিমত থাকিব নালাগিব,
- ➢ কেন্দ্রীয় বেংক বা অন্যান্য উৎসৰ ওচৰত বেংকৰ বর্ধিত বা ক্ষতিপূৰক ঋণ থাকিব নালাগিব, আৰু
- ➢ কেন্দ্রীয় বেংকৰ ওচৰত আন বেংকে অধিক চৰকাৰী বা ক্ষতিপূৰক চুক্তিপত্র বিক্রী কৰিব নালাগিব।

৭.৪ ঋণ নিয়ন্ত্রণ পদ্ধতি ঃ গুণবাচক বা বাছনিমূলক ব্যৱস্থা

বিশেষ উদ্দেশ্যেৰে ঋণ নিয়ন্ত্রণ কৰা কার্যক *'বাছনিমূলক ঋণ নিয়ন্ত্রণ'* বুলি কোৱা হয়। ঋণ নিয়ন্ত্রণৰ এই পদ্ধতিয়ে মুঠ ঋণৰ বিতৰণৰ ক্ষেত্রত ক্রিয়া কৰে। ঋণ বিতৰণৰ মূল দিশ দুটা — যোগাত্মক আৰু ঋণাত্মক। যোগাত্মক দিশত ঋণৰ অধিক বিতৰণক উৎসাহিত কৰাৰ নীতি ল'ব পাৰি। আনহাতে ঋণাত্মক দিশত বিশেষ খণ্ড বা কার্যলৈ ঋণ প্রবাহ সীমিত কৰাৰ নীতি ল'ব পাৰি। সাধাৰণতে ব্যৱহাৰ কৰা বাছনিমূলক ঋণ নিয়ন্ত্রণ নীতিসমূহ হ'ল — প্রান্তীয় বন্ধকী অংশৰ পৰিবর্তন, ভোক্তাৰ ঋণৰ নিয়ন্ত্রণ, ঋণৰ 'ৰেচনিং', ইত্যাদি। গুণবাচক ঋণ নিয়ন্ত্রণ নীতিৰ ভিতৰত প্রধান হ'ল — নৈতিক প্রনোদন আৰু প্রচাৰ।

- **প্রান্তীয় বন্ধকী** (Margin Requirement) **অংশৰ পৰিবর্তন ঃ** প্রান্তিক প্রয়োজনীয় কোনো বস্তুৰ বিপৰীতে দিয়া ঋণৰ প্রৰাহক প্রভাবান্বিত কৰিবলৈ **প্রান্তীয় বন্ধকী**

বাছনিমূলক ঋণ নিয়ন্ত্রণ নীতি ফলাদায়ক হয়। তথাপিও বাছনিমূলক ঋণ নিয়ন্ত্রণ নীতিৰ সফলতা বহুতো কাৰকৰ ওপৰত নির্ভৰশীল।

বাছনিমূলক ঋণ নিয়ন্ত্রণ পদ্ধতিৰ সীমাবদ্ধতা ঃ বাছনিমূলক ঋণ নিয়ন্ত্রণ পদ্ধতিৰ কেতবোৰ গুৰুত্বপূর্ণ সীমাবদ্ধতা তলত উল্লেখ কৰা হ'ল—

- এই নীতিসমূহ মূলতঃ বন্ধকীৰ ওপৰত নির্ভৰশীল। ঋণ গ্রহণ কৰিব বিচৰাজনে এই বন্ধকী যোগাৰ কৰি ঋণ লৈ পাচলৈ অনৈতিক কাৰবাৰতো লিপ্ত হ'ব পাৰে।
- ব্যৱসায়ীসকলে যদি দৈনন্দিন কাম-কাজ চলাই নিয়াৰ ক্ষেত্রত বিত্তৰ প্রয়োজন পূৰাবলৈ বেংকৰ ওচৰ চাপিব নালাগে তেতিয়া সিহঁতে বেংকে আৰোপ কৰা বাধ্যবাধকতা সমূহৰ পৰা আঁতৰি থাকিব পাৰে। এইদৰে ব্যৱসায়ীসকল সহজতে বাছনিমূলক ঋণ নিয়ন্ত্রণ নীতিৰপৰা আঁতৰি থাকিব পাৰে ।
- ঋণৰ স্বাভাৱিক চাহিদাৰ তুলনাত যোগানৰ নাটনি অধিক হ'ব পাৰে। ইয়ে নিয়ন্ত্রণ নীতি থকাৰ পাচতো অনৈতিক কাৰবাৰক উৎসাহিত কৰিব পাৰে। সেই বাবে এনে নাটনিৰ সময়ত আকাশলঙঘী মূল্য বৃদ্ধি হোৱাৰ আগতেই ঋণ নিয়ন্ত্রণ নীতি গ্রহণ কৰিব লাগে।

ওপৰৰ আলোচনাৰ পৰা আমি এই সিদ্ধান্তত উপনীত হ'ব পাৰোঁ যে বাছনিমূলক ঋণ নিয়ন্ত্রণ নীতি সাধাৰণ ঋণ নিয়ন্ত্রণ নীতিৰ এক উৎকৃষ্ট পৰিপূৰক হে। এই নীতি সাধাৰণ ঋণ নিয়ন্ত্রণ নীতিৰ সতে প্রয়োগ কৰিলেহে অধিক কৃতকার্যতা লাভ কৰিব পাৰি।

বিস্তৃত ঋণ নিয়ন্ত্রণ নীতিৰ উপৰি দেশৰ কেন্দ্রীয় বেংকে অনুসৰণ কৰা *প্রত্যক্ষ ঋণ নিয়ন্ত্রণ* কার্য সম্পর্কে তলত বহলাই আলোচনা দাঙি ধৰা হ'ল।

প্রত্যক্ষ কার্যব্যৱস্থাৰ জৰিয়তে ঋণ নিয়ন্ত্রণ ঃ গুণবাচক আৰু পৰিমাণবাচক ঋণ নিয়ন্ত্রণ নীতি কার্যকৰী কৰিবলৈ প্রত্যক্ষ কার্য ব্যৱস্থা গ্রহণ কৰা হয়। এই কার্য ব্যৱস্থাবোৰ হ'ল বাণিজ্যিক বেংকৰ ঋণদান আৰু বিনিয়োগ নীতি সম্পর্কে কেন্দ্রীয় বেংকে বাণিজ্যিক বেংকলৈ দিয়া নির্দ্দেশ। প্রত্যক্ষ কার্য ব্যৱস্থা তলত দিয়া ৰূপত ল'ব পাৰি—

- যিবোৰ বাণিজ্যিক বেংকৰ ঋণদান কার্য সাধাৰণ ঋণ নীতিৰ লগত সঙ্গতি নাথাকে তেনে বাণিজ্যিক বেংকলৈ 'ৰিডিচকাউণ্টিং' সুবিধা আগবঢ়াবলৈ কেন্দ্রীয় বেংকে

.....

.....

প্রশ্ন ৪ ঃ ঋণ নিয়ন্ত্রণ নীতি সম্পর্কে কেন্দ্রীয় বেংকৰ প্রত্যক্ষ কার্যব্যৱস্থাসমূহ কি কি? (৩০ টা শব্দৰ ভিতৰত)

.....

.....

.....

প্রশ্ন ৫ ঃ সংৰক্ষিত নগদ জমাৰ অনুপাত আৰু বিধিগত তাৰল্যৰ অনুপাতৰ মাজত থকা পার্থক্য বোৰ উল্লেখ কৰা (৮০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

.....



৭.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

● ৰাষ্ট্রৰ বৃহত্তৰ স্বার্থত মুদ্রা আৰু বেংকৰ ঋণৰ মুঠ যোগান নিয়ন্ত্রণ কেন্দ্রীয় বেংকৰ আন এক গুৰুত্বপূর্ণ কার্য। এই কার্য সুকলমে কৰিবলৈ কেন্দ্রীয় বেংকে ইয়াৰ হাতত থকা বিভিন্ন নিয়ন্ত্রণ আহিলা ব্যৱহাৰ কৰে। এই আহিলাসমূহ বহলভাৱে দুটা ভাগত ভগাব পাৰি, যেনে — পৰিমাণবাচক ঋণ নিয়ন্ত্রণ ব্যৱস্থা আৰু বাছনিমূলক বা গুণবাচক ঋণ নিয়ন্ত্রণ ব্যৱস্থা।

৫নং প্রশ্নৰ উত্তৰ ঃ সংৰক্ষিত নগদ জমাৰ অনুপাত হৈছে মুদ্রাৰ এনে এটা শতাংশ হাৰ যিটো বেংকবোৰে ৰিজাৰ্ভ বেংকত নগদ টকা হিচাপে জমা থ'ব লাগে; আনহাতে বিধিগত তাৰল্যৰ অনুপাত হৈছে বেংকৰ স্থিৰ আৰু চাহিদা জনিত আমানতৰ দৰে তৰল পৰিসম্পদৰ এটা অনুপাত যিটো বেংকে নিজৰ চন্দুক বা ভৰাঁলত জমা ৰাখিব লাগে।

সংৰক্ষিত নগদ জমা নগদ টকাৰ মাধ্যমত জমা ৰখা হয়। আনহাতে বিধিগত তাৰল্যৰ অনুপাত নগদ টকা আৰু চৰকাৰ সমর্থিত নিৰাপত্তা পত্রৰ মাধ্যমত জমা ৰখা হয়। সংৰক্ষিত নগদ জমাই অর্থব্যৱস্থাত মুদ্রাৰ প্রৱাহ নিয়মিত কৰি ৰাখে আনহাতে বিধিগত তাৰল্যৰ অনুপাতে ঋণ পৰিশোধ ব্যৱস্থা সুনিশ্চিত কৰে। সংৰক্ষিত নগদ জমাৰ অনুপাত ৰিজাৰ্ভ বেংকে চলাই ৰাখে কিন্তু ৰিজাৰ্ভ বেংকে বিধিগত তাৰল্যৰ অনুপাত চলাই নাৰাখে। দেশখনৰ অর্থব্যৱস্থাত তাৰল্যতা সংৰক্ষিত নগদ জমাৰ অনুপাতে নিয়মিত কৰি ৰাখে, বিধিগত তাৰল্যৰ অনুপাতে দেশখনৰ ঋণমুদ্রাৰ বিকাশ পৰিচালনা কৰে।



৭.৮ আৰ্হি প্রশ্ন

চুটি প্রশ্ন (১৫০ টা মান শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ লিখক)

প্রশ্ন ১ ঃ বাছনি মূলক ঋণ নিয়ন্ত্রণ কাক বোলে?

প্রশ্ন ২ ঃ বিধিগত তাৰল্যৰ অনুপাত মানে কি?

প্রশ্ন ৩ ঃ ঋণৰ ৰেচনিং বুলিলে কি বুজায়?

প্রশ্ন ৪ ঃ ৰেপ'ৰেট কাক বোলে?

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা মান শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ লিখক)

প্রশ্ন ১ ঃ কেন্দ্রীয় বেংকে গ্রহণ কৰা ঋণনিয়ন্ত্রণৰ পৰিমাণ বাচক ব্যৱস্থাবোৰ সমালোচনাৰ দৃষ্টিভংগীৰে আলোচনা কৰক।

প্রশ্ন ২ ঃ বিভিন্ন প্রকাৰৰ বাছনি মূলক ব্যৱস্থা সমূহে কেনেদৰে কাম কৰে বাখ্যা কৰক।